**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-12-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে শক্তি সংৰক্ষণক অপৰিহাৰ্য্য বিষয় বুলি অভিহিত কৰিছে।

২। কাইলৈ আৰম্ভ হ'বলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া জৰ্দান ভ্ৰমণ দুয়োখন দেশৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ ৭৫ বছৰ পূৰ হোৱা ক্ষণত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে।

৩। ইন্দোনেছিয়াৰ সুমাত্ৰা দ্বীপত যোৱা পযেকটোত সংঘটিত বান আৰু গৰাখহনীয়াৰ ফলত এহেজাৰতকৈ অধিক লোকে প্ৰাণ হেৰুৱাইছে।

৪। ইজৰাইলে গাজষ্ট্ৰীপত হামাছৰ সামৰিক শাখাৰ অস্ত্ৰ উৎপাদনকাৰী মুৰববীক হত্যা কৰা বুলি দাবী কৰিছে।

*আৰু*

৫। ডুবাইত ১৯ বছৰ অনুৰ্ধৰ গ্ৰুপ এৰ পঞ্চমখন এদিনীয়া ক্ৰিকেট খেলত ভাৰতে পাকিস্তানৰ বিৰুদ্ধে এই বাতৰি যুগুতোৱাৰ পৰলৈ ৩১ অভাৰ এটা বলত ৫ টা উইকেট হেৰুৱাই ১৭৩ ৰান কৰে।

oooo

আজি ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস। শক্তি সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ লগতে দেশৰ শক্তিখণ্ডৰ সামৰ্থ তথা এই ক্ষেত্ৰত লাভ কৰা সফলতাৰ বিষয়টো অনুধাৱন কৰাৰ উদ্দেশ্যে এই দিৱস উদযাপন কৰা হয়। ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱসৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ বঁটা লাভ কৰা আৰু শক্তি সংৰক্ষণৰ বিষয়ক লৈ আয়োজিত ৰাষ্ট্ৰীয় চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী ব্যক্তিসকলক সম্বৰ্ধনা জনায়। এই উপলক্ষে আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে শক্তি সংৰক্ষণ সম্প্ৰতি কেৱল এটা ঐচ্ছিক বিষয়ে হৈ থকা নাই, বৰঞ্চ ই এটা অপৰিহাৰ্য্য বিষয় হিচাপে পৰিগণিত হৈছে। তেওঁ লগতে কয় যে সংৰক্ষণ কৰা শক্তিৰ প্ৰতিটো গোটেই প্ৰকৃতিৰ প্ৰতি দায়বদ্ধতাক প্ৰতিফলিত কৰাৰ লগতে পৰৱৰ্তী প্ৰজন্মসমূহৰ ভৱিষ্যতৰ প্ৰতি দায়িত্ব তথা সংবেদনশীলতাক প্ৰতিফলিত কৰে।

বাইট

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে লগতে কয় যে শক্তি সংৰক্ষণৰ ক্ষেত্ৰত ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

oooo

ভাৰত আৰু জৰ্দানৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ ৭৫ বছৰ পূৰ হোৱাৰ সৈতে সংগতি ৰাখি কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া জৰ্দান ভ্ৰমণসূচী আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দয়োখন দেশৰ মাজত ফছফেট ইন্ধনৰ

পৰা আৰম্ভ কৰি গভীৰ সাংস্কৃতিক সম্পৰ্কলৈকে ভালেমান বিষয়ত সহযোগিতা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে। জৰ্দানত থকা ভাৰতীয় ৰাষ্ট্ৰদূত মনিষ চৌহানে কাইলৈ আৰম্ভ হবলগীয়া শ্ৰীমোদীৰ এই ভ্ৰমণক বাণিজ্য, খাদ্য সুৰক্ষা আৰু জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ ক্ষেত্ৰত সময়ৰ দিশৰ পৰা মাইলৰ খুটি বুলি অভিহিত কৰিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, প্ৰধানমন্ত্ৰী মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ জৰ্দানলৈ ৰাওনা হ'ব। জৰ্দানৰ ৰজা আব্দুলা দ্বিতীয় বিন অল হুছেইনৰ আমন্ত্ৰণ মৰ্মে প্ৰধানমন্ত্ৰীগৰাকী দেশখনলৈ যাব।

উল্লেখযোগ্য যে, জৰ্দানে ভাৰতৰ কৃষিখণ্ডত বিশেষ ভূমিকা পালন কৰা সাৰ, বিশেষকৈ ফছফেট আৰু পটাছৰ যোগান ধৰে। ভাৰত আৰু জৰ্দানৰ যুটীয়া সহযোগিতাৰে স্থাপন কৰা জৰ্দান ইণ্ডিয়া ফাৰ্টিলাইজাৰ কোম্পানী, আই এফ এফ চি অ' আৰু জৰ্দান ফছফেট খনিজ কোম্পানী প্ৰতিষ্ঠা কৰা হৈছিল। এই প্ৰতিষ্ঠানে ভাৰতলৈ ফছফৰিক এচিড যোগান ধৰি ভাৰতত খাদ্য সুৰক্ষাৰ দিশটো শক্তিশালী কৰি তুলিছে। একেদৰে ১৫টা ভাৰতীয় মূলৰ বস্ত্ৰ উদ্যোগে জৰ্দানত নিজৰ উৎপাদিত সামগ্ৰীৰ বজাৰ গঢ়ি তুলিছে। অ'মান আৰু মুম্বাইৰ মাজত মুকলি কৰা পোনপটীয়া বিমান সেৱাই দুয়োখন দেশৰ মাজত যোগাযোগ উন্নত কৰি তুলিছে। তদুপৰি জৰ্দানে ভাৰতীয় যাত্ৰীসকললৈ ইলেকট্ৰনিক ভিছাৰ সুবিধাও আগবঢ়াইছে। এই ভিছাৰ জৰিয়তে ব্যৱসায় আৰু পৰ্যটনৰ ক্ষেত্ৰখন সম্প্ৰসাৰিত হোৱাৰ সম্ভাৱনা আছে।

০০০০

পশ্চিমবংগৰ ছল্টলেকৰ যুৱ ভাৰতী ক্ৰীড়াংগনত কালি সংঘটিত ঘটনা সন্দৰ্ভত আৰক্ষীয়ে এটা নিজাববীয়া গোচৰ ৰুজু কৰিছে। ইয়াৰ পূৰ্বে কালি আয়োজিত লিঅ'নেল মেছিৰ অনুষ্ঠানক কেন্দ্ৰ কৰি সংঘটিত বিশৃংখল পৰিস্থিতিৰ পাছত অনুষ্ঠানটোৰ আয়োজক শতদ্ৰু দত্তক আৰক্ষীয়ে দুঘণ্টা ধৰি সোধাপোছা কৰাৰ অন্তত গ্ৰেপ্তাৰ কৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এই অনুষ্ঠানত হোৱা বিশৃংখলতাৰ তদন্ত কৰিবলৈ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অসীম কুমাৰ ৰয়ৰ নেতৃত্বত এখন অনুসন্ধান সমিতি গঠন কৰি দিছে। উল্লেখযোগ্য যে প্ৰিয় তাৰকা লিঅ'নেল মেছিক এপলক চাবলৈ নোপোৱাৰ ক্ষোভত খেলুৱৈগৰাকীৰ অনুৰাগী আৰু দৰ্শকসকলে কালি যুৱ ভাৰতী ক্ৰীড়াংগনৰ পথাৰত প্ৰৱেশ কৰি ভালেমান সা-সামগ্ৰী লণ্ডভণ্ড কৰে।

০০০০

ইন্দোনেছিয়াৰ সুমাত্ৰা দ্বীপত যোৱা পষেকটোত সংঘটিত বান আৰু গৰাখহনীয়াৰ ফলত এহেজাৰতকৈ অধিক লোকে প্ৰাণ হেৰুৱাইছে। এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত বৰ্তমানলৈ দুশ গৰাকীতকৈ অধিক লোক সন্ধানহীন হৈ থকাৰ লগতে ৫ হাজাৰতকৈ অধিক লোক আহত হৈছে। লক্ষাধিক বাসগৃহ ধ্বংসৰ কবলত পৰা এই ঘটনাৰ পাছত সম্প্ৰতি উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। উল্লেখযোগ্য যে মালাক্কা জলপথ প্ৰণালীত হোৱা এটা শক্তিশালী ঘূৰ্ণিবতাহৰ ফলত দক্ষিণ পশ্চিম এছিয়াৰ একাংশ দেশত প্ৰচণ্ড বৰষুণ আৰু গৰাখহনীয়াৰ পৰিস্থিতিৰ উদ্ভৱ হয়। এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত শ্ৰীলংকা, থাইলেণ্ড, মালেয়েছিয়া আৰু ভিয়েটনামৰ দুহেজাৰতকৈ অধিক লোক মৃত্যুমুখত পৰে।

০০০০

ইজৰাইলে কালি গাজাষ্ট্ৰীপত আক্ৰমণ চলাই হামাছৰ সামৰিক শাখাৰ অস্ত্ৰ উৎপাদনকাৰী মুৰববীক হত্যা কৰা বুলি দাবী কৰিছে। ইজৰাইলী সেনাই কৈছে, যে তাত কেৱল এটা আক্ৰমণতেই হামাছৰ ৰাদ ছাদৰ মৃত্যু হয়। নিহত

ছাদ হামাছৰ সামৰিক শাখাৰ অস্ত্ৰ উৎপাদন মুখ্য কাৰ্যালয়ৰ মুৰব্বী আছিল যিয়ে গোটটোৰ সামৰিক বাহিনী গঠনৰ নেতৃত্ব দিছিল। ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহু আৰু প্ৰতিৰক্ষা মন্ত্ৰী ইজৰাইল কাটজে বিবৃতি যোগে ছাদক ২০২৩ চনৰ ৭ অক্টোবৰত ইজৰাইলত সংঘটিত আক্ৰমণৰ আঁৰৰ অন্যতম ব্যক্তি বুলি অভিহিত কৰিছে।

০০০০

পঞ্জাৱত আজি জিলা পৰিষদ আৰু পঞ্চায়ত সমিতিসমূহৰ বাবে পুৱা ৮ বজাৰ পৰা ভোটগ্ৰহণ চলি আছে। এই নিৰ্বাচনত ৯ হাজাৰতকৈও অধিক প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আপ, কংগ্ৰেছ, শিৰোমণি আকালি দল আৰু বিজেপিৰ প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ৰাজ্যিক নিৰ্বাচন আয়ুক্ত ৰাজকুমাৰ চৌধুৰীয়ে কয়, যে পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজালৈ বেলট পেপাৰৰ জৰিয়তে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আই এ এছ আৰু জ্যেষ্ঠ পি চি এছ বিষয়াসকলক সকলো জিলাতে নিৰ্বাচনী পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়াৰ লগতে ৬ গৰাকী জ্যেষ্ঠ আই পি এছ বিষয়াক নিৰ্বাচনৰ সময়ছোৱাত আইন শৃংখলাজনিত পৰিস্থিতি নিৰীক্ষণৰ বাবে আৰক্ষী পৰ্যবেক্ষকৰ দায়িত্ব অৰ্পণ কৰিছে। অহা ১৭ ডিচেম্বৰত ভোটগণনা অনুষ্ঠিত হ'ব।

০০০০

ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনক লৈ বিভ্ৰান্তিৰ সৃষ্টি কৰা বুলি আজি বিজেপিয়ে কংগ্ৰেছ দলক সমালোচনা কৰে। নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই কয়, যে ইতিমধ্যে সংসদত নিৰ্বাচনী সংশোধন সন্দৰ্ভত বিস্তৃত আলোচনা হৈছে আৰু এই আলোচনাৰ সময়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিৰোধীয়ে উত্থাপন কৰা সকলো প্ৰশ্নৰ পুংখানুপুংখভাৱে উত্তৰ দিছে। কংগ্ৰেছে ভাৰতৰ সাংবিধানিক সংস্থাসমূহক অসন্মান কৰিছে বুলিও আজিৰ সংবাদমেলত মুখপাত্ৰ শ্ৰীপাত্ৰই লগতে উল্লেখ কৰে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, হাৰিয়ানা, পঞ্জাৱ, চণ্ডীগড়, দিল্লী আৰু উত্তৰ প্ৰদেশত ঘন কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি পূৰ্বাভাস জাৰি কৰিছে। ইয়াৰ উপৰি বিভাগটোৱে কৰ্ণাটক আৰু তেলেংগনাৰ বিভিন্ন অঞ্চলত শীত প্ৰৱাহৰ সম্ভাৱনাও ব্যক্ত কৰিছে। আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ কিছুঅংশত ধুমুহা আৰু বজ্ৰপাতৰ সম্ভাৱনাও আছে বুলিও বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে। ইফালে, ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল দিল্লী এতিয়াও প্ৰদূষণমুক্ত হোৱা নাই। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তথ্য অনুসৰি আজি পুৱা ৭ বজালৈকে ৰাষ্ট্ৰীয় ৰাজধানীখনৰ গড়বায়ুৰ গুণাগুণ সূচাংক ৪৬১।

০০০০

মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন য়াদৱে বীৰাংগনা দুৰ্গাৱতী ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলটো অহা বাৰিষাৰ পূৰ্বে চিতাৰ আশ্ৰয়স্থল হ'ব বুলি উল্লেখ কৰে। আফ্ৰিকাৰ কুনো ৰাষ্ট্ৰীয় উদ্যানৰ পৰা মধ্যপ্ৰদেশলৈ বিগ কেট সফল স্থানান্তৰ কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। চিতা প্ৰকল্পৰ কথা উল্লেখ কৰি শ্ৰীয়াদৱে কয়, যে মধ্যপ্ৰদেশ হৈছে বিশ্বৰ ভিতৰতেই প্ৰথম স্থান য'ত চিতা সফলভাৱে **পুনৰ্বাসন** কৰা হৈছে। কে এন পিত ২৮টা চিতা আৰু গান্ধী সাগৰ অভয়াৰণ্যত দুটা বিগ কেট আছে বুলি উল্লেখ কৰি শ্ৰীয়াদৱে অহা জানুৱাৰীত বটছোৱানাৰ পৰা কে এন পিলৈ ৮টা চিতা অনাৰ সম্ভাৱনা আছে।

০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ আজি তৃতীয়খন খেল ধৰমশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছ'চিয়েচন ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। পাঁচখনীয়া এই শৃংখলাত দুয়োটা দলে বৰ্তমান ১-১ত সমতা স্থাপন কৰি আছে। শৃংখলাৰ চতুৰ্থখন খেল অহা বুধবাৰে লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিম খেলখন অহা শুকুৰবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ডুবাইত ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধৰ গ্ৰুপ এৰ পঞ্চমখন এদিনীয়া ক্ৰিকেট খেলত ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈ ৩৩ অভাৰত ৬ টা উইকেট হেৰুৱাই  ১৮২ ৰান কৰে। ডুবাইস্থিত আই চি চি একাডেমীৰ খেলপথাৰত অনুষ্ঠিত এই খেলখনত পাকিস্তানে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে আৰম্ভণিতে বৰষুণে বিঘিনি ঘটোৱাৰ পৰিপ্ৰেক্ষিতত খেলখন ৪৯ অভাৰত সীমিত কৰা হয়।

০০০০

সমাপ্ত